পাঠ- ১৩

## সময়

গাওঁ আহা-

দেও — ঢোলত দিছে চেও।
সোম — ঢুলীয়ানো কোন?
মঙল — থেকেৰা গাঁৱৰ কমল।
বুধ — নাচনী ওলাইছেনে সোধ।
বৃহস্পতি — নাচনী আহিল শাৰীপাতি।
শুকুৰ — ভৰিত পিন্ধিছে নূপুৰ।
শনি — ডিঙিত আছে ৰঙামণি।



জানি লওঁ আহা-

দেও, সোম, মঙ্গল, বুধ, বৃহস্পতি, শুক্ৰ, শনি হৈছে বাৰৰ নাম।
সাত দিনে এসপ্তাহ হয়।

**কেলেণ্ডাৰৰ নৱেম্বৰ মাহটো চাই ১ম সপ্তাহৰ ৭টা বাৰ মন কৰা আৰু মনত ৰাখা-**

**এতিয়া কেলেণ্ডাৰৰ নৱেম্বৰ মাহটো চাই ভাবি কোৱা আৰু লিখা।**





| নৱেম্বৰ ২০১৮ | | | | | |
|---|---|---|---|---|---|
| দেও | | ৪ | ১১ | ১৮ | ২৫ |
| সোম | | ৫ | ১২ | ১৯ | ২৬ |
| মঙল | | ৬ | ১৩ | ২০ | ২৭ |
| বুধ | | ৭ | ১৪ | ২১ | ২৮ |
| বৃহস্পতি | ১ | ৮ | ১৫ | ২২ | ২৯ |
| শুক্ৰ | ২ | ৯ | ১৬ | ২৩ | ৩০ |
| শনি | ৩ | ১০ | ১৭ | ২৪ | |

- দেওবাৰৰ পিছত কি বাৰ আহে? ______
- বুধবাৰৰ আগৰ বাৰটো কি? ______
- ১৪ নৱেম্বৰৰ শিশু দিৱস কোন বাৰত পালন কৰা হৈছে? ______
- সপ্তাহৰ প্ৰথম দিনটো কি বাৰ? ______
- ৫ নৱেম্বৰৰ সুধাকণ্ঠ দিৱস কোন বাৰত পালন কৰা হৈছে?______
- সপ্তাহৰ শেষ দিনটো কি বাৰ? ______
- দেওবাৰৰ সাতদিন পিছত কি বাৰ হ'ব? ______

## চিন্তা কৰি কোৱা আৰু লিখা -



| আজি কি বাৰ? | কালিৰ বাৰটো কি আছিল? | পৰহিলৈ কি বাৰ হ'ব? |
|---|---|---|
| ...................... | ...................... | ...................... |

*শিক্ষকলৈ নিৰ্দেশনা ঃ এখন কেলেণ্ডাৰ ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীসকলক বাৰ আৰু মাহবোৰ চিনাক্ত কৰিবৰ বাবে উৎসাহিত কৰিব। তেওঁলোকৰ জন্মদিনবোৰ কোন মাহৰ কোন তাৰিখে পৰে নিজৰ নিজৰ কিতাপত থকা কেলেণ্ডাৰত বিচাৰি উলিয়াই চিন দিবলৈ দিব।*

## ইংৰাজী মাহকেইটাৰ নাম জানি লওঁ আহা-

| | | | | | |
|---|---|---|---|---|---|
| জানুৱাৰী | ফেব্ৰুৱাৰী | মাৰ্চ | এপ্ৰিল | মে' | জুন |
| জুলাই | আগষ্ট | ছেপ্টেম্বৰ | অক্টোবৰ | নৱেম্বৰ | ডিচেম্বৰ |

## কোন মাহত কিমান দিন চাওঁ আহা-

২০১৮

| | জানুৱাৰী | | | | | ফেব্ৰুৱাৰী | | | | | মাৰ্চ | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| দেও | | ৭ | ১৪ | ২১ | ২৮ | | ৪ | ১১ | ১৮ | ২৫ | | ৪ | ১১ | ১৮ | ২৫ |
| সোম | ১ | ৮ | ১৫ | ২২ | ২৯ | | ৫ | ১২ | ১৯ | ২৬ | | ৫ | ১২ | ১৯ | ২৬ |
| মঙল | ২ | ৯ | ১৬ | ২৩ | ৩০ | | ৬ | ১৩ | ২০ | ২৭ | | ৬ | ১৩ | ২০ | ২৭ |
| বুধ | ৩ | ১০ | ১৭ | ২৪ | ৩১ | | ৭ | ১৪ | ২১ | ২৮ | | ৭ | ১৪ | ২১ | ২৮ |
| বৃহস্পতি | ৪ | ১১ | ১৮ | ২৫ | | ১ | ৮ | ১৫ | ২২ | | ১ | ৮ | ১৫ | ২২ | ২৯ |
| শুক্ৰ | ৫ | ১২ | ১৯ | ২৬ | | ২ | ৯ | ১৬ | ২৩ | | ২ | ৯ | ১৬ | ২৩ | ৩০ |
| শনি | ৬ | ১৩ | ২০ | ২৭ | | ৩ | ১০ | ১৭ | ২৪ | | ৩ | ১০ | ১৭ | ২৪ | ৩১ |
| | এপ্ৰিল | | | | | মে' | | | | | জুন | | | | |
| দেও | ১ | ৮ | ১৫ | ২২ | ২৯ | | ৬ | ১৩ | ২০ | ২৭ | | ৩ | ১০ | ১৭ | ২৪ |
| সোম | ২ | ৯ | ১৬ | ২৩ | ৩০ | | ৭ | ১৪ | ২১ | ২৮ | | ৪ | ১১ | ১৮ | ২৫ |
| মঙল | ৩ | ১০ | ১৭ | ২৪ | | ১ | ৮ | ১৫ | ২২ | ২৯ | | ৫ | ১২ | ১৯ | ২৬ |
| বুধ | ৪ | ১১ | ১৮ | ২৫ | | ২ | ৯ | ১৬ | ২৩ | ৩০ | | ৬ | ১৩ | ২০ | ২৭ |
| বৃহস্পতি | ৫ | ১২ | ১৯ | ২৬ | | ৩ | ১০ | ১৭ | ২৪ | ৩১ | | ৭ | ১৪ | ২১ | ২৮ |
| শুক্ৰ | ৬ | ১৩ | ২০ | ২৭ | | ৪ | ১১ | ১৮ | ২৫ | | ১ | ৮ | ১৫ | ২২ | ২৯ |
| শনি | ৭ | ১৪ | ২১ | ২৮ | | ৫ | ১২ | ১৯ | ২৬ | | ২ | ৯ | ১৬ | ২৩ | ৩০ |
| | জুলাই | | | | | আগষ্ট | | | | | ছেপ্টেম্বৰ | | | | |
| দেও | ১ | ৮ | ১৫ | ২২ | ২৯ | | ৫ | ১২ | ১৯ | ২৬ | ৩০ | ২ | ৯ | ১৬ | ২৩ |
| সোম | ২ | ৯ | ১৬ | ২৩ | ৩০ | | ৬ | ১৩ | ২০ | ২৭ | | ৩ | ১০ | ১৭ | ২৪ |
| মঙল | ৩ | ১০ | ১৭ | ২৪ | ৩১ | | ৭ | ১৪ | ২১ | ২৮ | | ৪ | ১১ | ১৮ | ২৫ |
| বুধ | ৪ | ১১ | ১৮ | ২৫ | | ১ | ৮ | ১৫ | ২২ | ২৯ | | ৫ | ১২ | ১৯ | ২৬ |
| বৃহস্পতি | ৫ | ১২ | ১৯ | ২৬ | | ২ | ৯ | ১৬ | ২৩ | ৩০ | | ৬ | ১৩ | ২০ | ২৭ |
| শুক্ৰ | ৬ | ১৩ | ২০ | ২৭ | | ৩ | ১০ | ১৭ | ২৪ | ৩১ | | ৭ | ১৪ | ২১ | ২৮ |
| শনি | ৭ | ১৪ | ২১ | ২৮ | | ৪ | ১১ | ১৮ | ২৫ | | ১ | ৮ | ১৫ | ২২ | ২৯ |
| | অক্টোবৰ | | | | | নৱেম্বৰ | | | | | ডিচেম্বৰ | | | | |
| দেও | | ৭ | ১৪ | ২১ | ২৮ | | ৪ | ১১ | ১৮ | ২৫ | ৩০ | ২ | ৯ | ১৬ | ২৩ |
| সোম | ১ | ৮ | ১৫ | ২২ | ২৯ | | ৫ | ১২ | ১৯ | ২৬ | ৩১ | ৩ | ১০ | ১৭ | ২৪ |
| মঙল | ২ | ৯ | ১৬ | ২৩ | ৩০ | | ৬ | ১৩ | ২০ | ২৭ | | ৪ | ১১ | ১৮ | ২৫ |
| বুধ | ৩ | ১০ | ১৭ | ২৪ | ৩১ | | ৭ | ১৪ | ২১ | ২৮ | | ৫ | ১২ | ১৯ | ২৬ |
| বৃহস্পতি | ৪ | ১১ | ১৮ | ২৫ | | ১ | ৮ | ১৫ | ২২ | ২৯ | | ৬ | ১৩ | ২০ | ২৭ |
| শুক্ৰ | ৫ | ১২ | ১৯ | ২৬ | | ২ | ৯ | ১৬ | ২৩ | ৩০ | | ৭ | ১৪ | ২১ | ২৮ |
| শনি | ৬ | ১৩ | ২০ | ২৭ | | ৩ | ১০ | ১৭ | ২৪ | | ১ | ৮ | ১৫ | ২২ | ২৯ |

৩০ দিনে হয় মাহ ছেপ্টেম্বৰ

তেনেকৈ এপ্ৰিল আৰু জুন, নৱেম্বৰ

২৮ দিনে মাহ ফেব্ৰুৱাৰী ধৰে

এক দিনকৈ বাঢ়ে প্ৰতি চতুৰ্থ বছৰে

বাকী সাত মাহ হয় ৩১ দিনে


ইংৰাজী মাহবোৰ এইদৰে গণে।



**কেলেণ্ডাৰ চাই কোৱা-**

- ৩০ দিন থকা মাহ কেইটাৰ নাম কোৱা।
- ৩১ দিন থকা মাহ কেইটাৰ নাম কোৱা।
- কোনটো মাহত আটাইতকৈ কম দিন থাকে কোৱা।
- ইংৰাজী বছৰৰ প্ৰথম মাহৰ নাম কি?
- ইংৰাজী বছৰৰ শেষ মাহৰ নাম কি?
- নিজৰ জন্ম মাহ আৰু তাৰিখ লিখা। __________ __________

**চকৰিটোত মাহবোৰৰ দিনৰ সংখ্যা লিখি পূৰ কৰা-**




**শুদ্ধ উত্তৰটোত ✓ চিন দিয়া-**

| | | |
|---|---|---|
| এপ্ৰিল<br>২৯ / ৩০ / ৩১ দিন | জানুৱাৰী<br>২৮ / ৩০ / ৩১ দিন | আগষ্ট<br>২৯ / ৩০ / ৩১ দিন |
| ফেব্ৰুৱাৰী<br>২৮ / ৩০ / ৩১ দিন | অক্টোবৰ<br>৩০ / ৩১ / ২৯ দিন | ডিচেম্বৰ<br>২৯ / ৩০ / ৩১ দিন |

*শিক্ষকলৈ নিৰ্দেশনা ঃ শিক্ষকে চলিত বছৰৰ কেলেণ্ডাৰ এখন শ্ৰেণী কোঠাত ব্যৱহাৰ কৰিব।*

অসমীয়া বাৰ মাহৰ নামবোৰ শিকোঁ আহা-





## বছৰত বাৰ মাহ

ব'হাগ মাহত নতুন বছৰ
জেঠত বৰ খৰ,
আহাৰ মাহত আমৰ বতৰ
শাওণত বাৰিষা ভৰ।





ভাদ মাহত বৰ ৰ'দ
আহিনৰ শেষত বান,
কাতি মাহত কুঁৱলী পৰে
আঘোণত পকে ধান।





DAILY ASSAM

পুহ মাহত বৰ জাৰ
মেজি জ্বলাওঁ মাঘত,
ফাগুন মাহত পছোৱা বতাহ
বছৰৰ শেষ চ'তত।





অসমীয়া বাৰ মাহৰ নাম জানি লওঁ আহা-

ব'হাগ, জেঠ, আহাৰ, শাওণ, ভাদ, আহিন, কাতি, আঘোণ, পুহ, মাঘ, ফাগুন, চ'ত।

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া-

☆ অসমীয়া বাৰ মাহৰ প্ৰথম মাহটোৰ নাম কি?

☆ কোন মাহত বৰ খৰ?

☆ অসমীয়া বাৰ মাহৰ শেষ মাহটোৰ নাম কি?




☆ কোন মাহত বৰ জাৰ?


☆ কোন মাহত ৰঙালী বিহু পালন কৰা হয়?

☆ কোন মাহত ভৰ বাৰিষা হয়?


☆ কোন মাহত ভোগালী বিহু পালন কৰা হয়?

☆ কোন মাহত কুঁৰলী পৰে?





এটা ইংৰাজী মাহত কি কি অসমীয়া মাহ পৰিছে চকৰিটো চাই বুজোঁ আহা-




চকৰি চাই কোৱা-

☆ জুলাই মাহত কি কি অসমীয়া মাহ পৰে?

☆ চ'ত-ব'হাগত কি ইংৰাজী মাহ পৰে?

☆ ডিচেম্বৰত কি কি অসমীয়া মাহ পৰে?

☆ ফাগুন-চ'ত মাহত কি ইংৰাজী মাহ পৰে?

তোমালোকে বিদ্যালয়ৰ দ্বিতীয় শ্ৰেণীৰ দৈনিক সময়সূচীখন মন কৰা-

## দ্বিতীয় শ্ৰেণীৰ সময়সূচী

| পিৰিয়ড / বাৰ | ১ম | ২য় | ৩য় | ৪ৰ্থ | ৫ম | ৬ষ্ঠ |
|---|---|---|---|---|---|---|
| সোম | গণিত | ভাষা | ইংৰাজী | স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা | ভাষা | কলা শিক্ষা |
| মঙ্গল | ভাষা | গণিত | ইংৰাজী | স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা | কলা শিক্ষা | ভাষা |
| বুধ | গণিত | ভাষা | ইংৰাজী | স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা | কলা শিক্ষা | গণিত |
| বৃহস্পতি | ভাষা | গণিত | ইংৰাজী | ভাষা | কলা শিক্ষা | স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা |
| শুক্ৰ | গণিত | ভাষা | ইংৰাজী | স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা | গণিত | ইংৰাজী |
| শনি | গণিত | ভাষা | ইংৰাজী | স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা | | |

সময়সূচী চাই কোৱা আৰু লিখা-



- স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা কি কি বাৰত আছে?

  ________ ________ ________ ________ ________ ________



- বুধবাৰে পঞ্চম পিৰিয়ডত কি বিষয় আছে ? ________________
- ভাষা কোন বাৰত ষষ্ঠ পিৰিয়ডত আছে? ________________



- গণিত কোন বাৰত পঞ্চম পিৰিয়ডত আছে? ________________



- তোমালোকৰ পুথিভঁৰালৰ বাবে পিৰিয়ড আছে নে? ________________

  যদি আছে কি কি বাৰত আছে? ________________